**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা, চি বি আইয়ে অসম চৰকাৰৰ অনুৰোধমৰ্মে ৰাজ্যখনত শেহতীয়াকৈ সংঘটিত কেইবাটাও বিত্তীয় অনিয়মৰ ঘটনাৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছে। সংস্থাটোৱে কালি এনে এটা গোচৰৰ তদন্তৰ বাবে শিলচৰত তনয় দেৰ নামৰ অভিযুক্তজনৰ বাসগৃহত তালাচী চলাই কেতবোৰ আপত্তিজনক সঁজুলি আৰু নথিপত্ৰ জব্দ কৰে। কেন্দ্ৰীয় সংস্থাটোৱে গুৱাহাটীৰ পল্টনবজাৰ থানাত যোৱা ২১ আগষ্টত ৰুজু হোৱা বিত্তীয় অনিয়মৰ গোচৰ এটাৰো তদন্তৰ দায়িত্ব লৈছে। দীপাংকৰ বৰ্মন নামৰ লোক এজনে তেওঁৰ সহযোগী মনালিছা দাসৰ সৈতে তেওঁলোকৰ অধীনস্থ  সংস্থা এটাৰ দ্বাৰা বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ অভিযোগত এই গোচৰ ৰুজু কৰা হৈছিল। এই সংস্থাটোৱে ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন ঠাইৰ ভালেসংখ্যক বিনিয়োগকাৰীক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উঠিছিল। চি বি আয়ে যোৱা ১৮ নৱেম্বৰত মনালিছা দাসৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। অনুৰূপ গোচৰত অভিযুক্ত চুমি বৰাই জামিন বিচাৰি কৰা আবেদন বিশেষ আদালতে খাৰিজ কৰিছিল। এই গোচৰকেইটা সন্দৰ্ভত চি বি আইৰ তদন্ত চলি আছে।

০০০০০০০

গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট শিল্পী প্ৰয়াত ৰুণুমী ঠাকুৰ সোঁৱৰণী বক্তৃতা অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সাংবাদিক মুনীন বায়নে **সাহিত্য সংস্কৃতিৰ শেহতীয়া প্ৰেক্ষাপট ঃ আনন্দ বিষাদ** বিষয়ত বক্তৃতা প্ৰদান কৰে। বক্তৃতা অনুষ্ঠানত বিশ্বায়ন আৰু তথ্য প্ৰযুক্তিয়ে সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ কঢ়িয়াই অনা ইতিবাচক আৰু নেতিবাচক দিশসমূহত আলোকপাত কৰে। আজিৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বন্তি প্ৰজ্বলন, প্ৰয়াত ৰুণুমী ঠাকুৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি তৰ্পণ, হাতে লিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচন আদি কাৰ্যসূচীয়ো অনুষ্ঠিত হয়।

০০০০০০

২০২১ চনৰ ১৩ মে’ত মানকাচৰৰ পুৰাণদিয়াৰা গাঁৱত দুজন লোকক হত্যা কৰাৰ অভিযোগত দোষী সাব্যস্ত, ১৪ জন লোকক আজি হাটশিঙিমাৰীৰ জিলা আৰু ছেচন আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। জিলা আৰু ছেচন ন্যায়াধীশ সঞ্জয় হাজৰিকাই তিনি বছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত যোৱা মঙলবাৰে এই লোককেইজনক দোষী সাব্যস্ত কৰিছিল আৰু শাস্তিৰ ম্যাদ ঘোষণা আজিলৈকে স্থগিত ৰাখিছিল। গোচৰটোৰ লোক অধিবক্তা বিশ্বজিৎ মহন্তৰ উদ্ধৃতি দি আমাৰ দক্ষিণ শালমাৰাৰ সংবাদদাতাই জনাইছে যে গোচৰটোত মুঠ ১৬ জন লোকক অভিযুক্ত কৰা হৈছিল যদিও গোচৰ চলি থকা কালত দুজন অভিযুক্তৰ মৃত্যু হয়। এগৰাকী মহিলাকে ধৰি দোষী সাব্যস্ত ১৪ জন লোকে আমৃত্যু কাৰাবাস খাটিব লাগিব বুলি ৰায়টোত কোৱা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অংশকালীন ঘোষকৰ লিখিত পৰীক্ষা অহা দেওবাৰে কটন বিশ্ববিদ্যালয়ৰ নতুন কলা ভৱনত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ প্ৰৱেশপত্ৰ প্ৰাৰ্থীসকললৈ ইতিমধ্যে ই-মেইলযোগে প্ৰেৰণ কৰা হৈছে। প্ৰৱেশ পত্ৰ নোপোৱা প্ৰাৰ্থীসকলে কাইলৈৰ ভিতৰত কেন্দ্ৰলৈ আহি ব্যক্তিগতভাৱে প্ৰৱেশপত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি আকাশবাণীৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে এক্স হেণ্ডেলত–এয়াৰ নিউজ জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ গুৱাহাটী ফ'ল' কৰিব পাৰে।

0000000

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে।

000000

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি-কামাখ্যা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলত বিচৰণ কৰি ফুৰা চাৰিটা বাঘৰ এটা বাঘ আজি পুৱতি নিশা কাজিৰঙা বন বিভাগে পিঞ্জৰাবদ্ধ কৰে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বিগত প্ৰায় ছমাহ ধৰি অঞ্চলটোত বাঘৰ মুক্ত বিচৰণত অঞ্চলবাসীৰ মাজত আতংকৰ সৃষ্টি হৈছিল। আজি কৰায়ত্ত কৰা বাঘটোৱে চকু আৰু ভৰিত আঘাত পোৱা বুলি অঞ্চলবাসীয়ে প্ৰত্যক্ষ কৰিছিল। নিশাৰ ভাগত কলং নৈৰ পাৰত পশু

চিকিৎসক আৰু বন বিভাগৰ দলে বাঘটোক অচেতন কৰি পিঞ্জৰাবদ্ধ কৰে। পাছত বাঘটোক চিকিৎসাৰ বাবে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ নিয়া হয়।

০০০০০০

**সমাপ্ত**